**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 11**-08-2024
**Time :** 1845Hrs.

# *ASSAMESE REGIONAL EVENING BULLETIN*

**:::::::::::::::::::::::::::::::::::::**

১। অসম পশ্চিমবংগ সীমান্তৰ অধীনৰ গংগাধৰ নৈৰ অববাহিকাত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ বানখহনীয়া প্ৰতিৰোধী ব্যৱস্থাৰ পৰিদৰ্শন।

২। ৰাজ্যজুৰি ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰস্তুতি। ভাৰত-বাংলাদেশ সীমান্তৰ সংবেদনশীল এলেকাত বিশেষ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ।

৩। ৰাজ্যৰ বিভিন্ন ঠাইত মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ। কন্যা সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত বৰঙণি যোগোৱাৰ জৰিয়তে এই আঁচনিয়ে বাল্য বিবাহৰ দৰে প্ৰথা আতৰ কৰিব বুলি মন্ত্ৰী অশোক সিংহালৰ আশা প্ৰকাশ।

৪। বিশিষ্ট কবি-সমালোচক ৰবীন্দ্ৰ বৰাৰ দেহাৱসান।

*আৰু*

৫। প্ৰায় ৩ সপ্তাহ জোৰা ৰোমাঞ্চকৰ খেল প্ৰতিযোগিতাৰ অন্তত আজি পেৰিছ্ অলিম্পিকৰ সামৰণি। ভাৰতৰ এটা ৰূপ সহ সৰ্বমুঠ ছটা পদক অৰ্জন।

00000000

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি ধুবুৰী জিলাৰ গোলকগঞ্জ বিধানসভা সমষ্টিৰ অধীনৰ গংগাধৰ নৈৰ তীৰৰ কেইবাখনো ঠাই নাৱেৰে ভ্ৰমণ কৰি জলসম্পদ বিভাগে নিৰ্মাণ কৰা মথাউৰিসমূহ  পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে অসম-পশ্চিমবংগ সীমান্ত অঞ্চলৰ প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা অঞ্চলত প্ৰয়োজন হোৱা বান খহনীয়া প্ৰতিৰোধী ব্যৱস্থাৰো বুজ লয়।

শ্ৰী হাজৰিকাই জিলাখনৰ কইমাৰি কথালতলিৰ পৰা নাৱেৰে গংগাধৰ নদীৰ উজনিৰ দিশলৈ পৰিভ্ৰমণ কৰি ভলাৰখাচত উপস্থিত হৈ ২০২২ চনত বানপানীৰ সৃষ্টি কৰা বান্ধটোৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। ভলাৰখাচত নিৰ্মাণ কৰা ডেৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিটো নিৰ্মাণৰ পাছত অঞ্চলটোৰ ৪০খন মান গাঁৱৰ এহেজাৰ ৯০০ হেক্টৰ কৃষি ভূমি আৰু ৯০ হাজাৰ লোক বানৰ কবলৰ পৰা মুক্ত হৈছে। মন্ত্ৰীগৰাকীয়ে অসম পশ্চিমবংগ সীমান্তৰ বাগডোক্ৰা, গাৰোপাৰা আৰু ঘৃতিনেৰকুটি ইত্যাদি অসমৰ অন্তৰ্গত কেইবাখনো গাঁৱৰ বান পৰিস্থিতিৰ বুজ লয়। গংগাধৰ নদীয়ে সৃষ্টি কৰা বান আৰু খহনীয়া সমস্যাৰ বিষয়ে স্থানীয় ৰাইজ আৰু বিভাগীয় অভিযন্তাৰ পৰা সবিস্তাৰে বুজ লৈ মন্ত্ৰীগৰাকীয়ে অচিৰেই অত্যাধুনিক প্ৰযুক্তিৰে খহনীয়া প্ৰতিৰোধী ব্যৱস্থা লোৱা হ'ব বুলি স্থানীয় ৰাইজক আশ্বাস দিয়ে। নৱেম্বৰ-ডিচেম্বৰ মাহত অঞ্চলটোত জিঅ' মেগা বেগ আৰু জিঅ' টিউব সংস্থাপন কৰি মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি শ্ৰী হাজৰিকাই  অৱগত কৰে।

00000000

৭৮ সংখ্যক স্বাধীনতা দিৱসলৈ কেইটামান দিন বাকী থকা অৱস্থাত দেশৰ অন্যান্য অঞ্চলসমূহৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। এই উপলক্ষে বৰপেটা জিলাত গৃহমন্ত্ৰী অমিত শ্বাহৰ আহ্বান মৰ্মে **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ অংশ হিচাপে জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰাজহুৱা স্বাক্ষৰ সংগ্ৰহ অভিযানৰ আজি আৰম্ভণি কৰা হয়। ইফালে চিৰাং জিলাৰ সদৰ কাজল গাঁৱত স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ মুখ্য আকৰ্ষণ সামৰিক কুচকাৱাজৰ বাবে পেৰেড গ্ৰাউণ্ডত অসম আৰক্ষী বাহিনী, সীমা সুৰক্ষা বল, গৃহৰক্ষী জোৱান, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে অনুশীলন চলাইছে। হোজাইতো বিগত কেইবা দিন ধৰি জিলা সদৰ শংকৰদেৱ নগৰৰ কাছাৰী ময়দানত আৰক্ষী আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলে সমূহীয়াভাৱে কুচকাৱাজৰ অনুশীলন কৰিছিল। এই অনুশীলনৰ আজি সামৰণি পৰে। দক্ষিণ শালমাৰা মানকাচাৰ জিলাতো খাৰুৱাবন্ধা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আৰক্ষী প্ৰশাসনৰ কটকটীয়া নিৰাপত্তাৰ মাজত স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি চলিছে। ভাৰত-বাংলাদেশ আৰু অসম-মেঘালয় সীমান্তত অৱস্থিত জিলাখনৰ সংবেদনশীল পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে যিকোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা প্ৰতিৰোধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ইফালে কোকৰাঝাৰ চহৰত প্ৰাক-স্বাধীনতা দিৱস উদযাপনৰ অংশ হিচাপে জিলা কাৰাগাৰ কৰ্তৃপক্ষই আয়োজন কৰা পৰিচ্ছন্নতা অভিযানৰ আজি সামৰিণি পৰিছে। এই পৰিচ্ছন্নতা কাৰ্যসূচীয়ে কাৰাগাৰৰ বাসিন্দাসকলৰ মাজত নাগৰিক দায়বদ্ধতাৰ মনোভাব বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰিছে।

আনহাতে আজি নলবাৰীত প্ৰাক-স্বাধীনতা দিৱস উদযাপনৰ অংশস্বৰূপে এটা ত্ৰিৰংগ যাত্ৰাৰ আয়োজন কৰা হয়। ভাৰতীয় জনতা যুৱ মৰ্চাৰ বৰক্ষেত্ৰী সমষ্টিৰ সমিতিয়ে আয়োজন কৰা যাত্ৰাটো জিলাখনৰ কৰিয়াৰ পৰা আৰম্ভ হৈ বৰভাগৰ মাজেৰে পৰিভ্ৰমণ কৰি বালিলেছা কালী দেৱালয়ত সামৰণি পৰে।

oooooooo

গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহালে আজি ঢেকীয়াজুলীৰ লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ত ছাত্ৰীসকলক মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ আবেদন প্ৰ-পত্ৰ বিতৰণ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মাগদৰ্শনত অসম চৰকাৰে গ্ৰহণ কৰা এই অভিলাসী আঁচনিৰ জৰিয়তে ৰাজ্যৰ ১০ লাখ যুৱতীৰ সৱলীকৰণ সম্ভৱপৰ হৈ উঠিব বুলি শ্ৰী সিংহালে আশা প্ৰকাশ কৰে। তেওঁ কয় যে, নিযুত মইনা আঁচনিয়ে কন্যা সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত আৰ্থিক বৰঙণি যোগোৱাৰ জৰিয়তে সমাজৰ পৰা বাল্য বিবাহৰ দৰে অশুভ পৰম্পৰাসমূহ আঁতৰ কৰাত সফল হ'ব।

আনহাতে তিনিচুকীয়া জিলাতো কেইবাখনো মহাবিদ্যালয়ত  শ্ৰম মন্ত্ৰী সঞ্জয় কিষানে এই আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। তিনিচুকীয়া মহাবিদ্যালয় আৰু তিনিচুকীয়া মহিলা মহাবিদ্যালয়কে ধৰি ছখন মহাবিদ্যালয়ত প্ৰ-পত্ৰ বিতৰণ কৰি মন্ত্ৰীগৰাকীয়ে আঁচনিখন ছাত্ৰীসকলৰ শিক্ষাৰ বাটৰ হেঙাৰ আঁতৰ কৰিবলৈ অসম চৰকাৰৰ এটা সুন্দৰ প্ৰচেষ্টা বুলি মত প্ৰকাশ কৰে।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ফিজি, নিউজিলেণ্ড আৰু টিমোৰ লেষ্টেৰ ত্ৰিদেশীয় ভ্ৰমণ সামৰি নতুন দিল্লীলৈ বুলি ৰাওণা হৈছে। এই ভ্ৰমণ কালত ভাৰতৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক উন্নীতকৰণৰ বাবে বুজাবুজিৰ চুক্তি আৰু কেইবাখনো দ্বিপাক্ষিক চুক্তি স্বাক্ষৰ কৰা হয়। নিউজিলেণ্ড ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৱে দেশখনৰ সৈতে দ্বিপাক্ষিক সীমা শুল্ক সহযোগিতা ব্যৱস্থাপনা সম্পৰ্কত চুক্তি স্বাক্ষৰ কৰে। তদুপৰি দেশদুখনে পৰম্পৰাগত ঔষধ আৰু জাম নগৰত থকা পৰম্পৰাগত ঔষদৰ গোলকীয় কেন্দ্ৰৰ জৰিয়তে এইক্ষেত্ৰত উত্তম

পদ্ধতিসমূহৰ বিনিময়ৰ বাবে সন্মতি প্ৰকাশ কৰে। ভ্ৰমণৰ অন্তিম পৰ্যায়ত ৰাষ্ট্ৰপতিয়ে টিমোৰ লেষ্টলৈ যায়। টিমোৰ লেষ্টত শ্ৰীমতী মুৰ্মুক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান গ্ৰেণ্ড ক'লাৰ অব্ দ্যা অৰ্ডাৰ অব্ টিমোৰ লেষ্টেৰে সন্মানিত কৰা হয়। ৰাষ্ট্ৰপতিয়ে দেশখনৰ ৰাজধানী ডিলিত কালি ৰাষ্ট্ৰপতি যোচ ৰামছ হোৰ্টা আৰু প্ৰধানমন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। দুয়োখন দেশে পাৰস্পৰিক সহযোগিতাৰ তিনিখন বুজাবুজিৰ চুক্তিতো স্বাক্ষৰ কৰে। ভ্ৰমণ কালত ৰাষ্ট্ৰপতি মুৰ্মুৱে ভাৰত আৰু টিমোৰ লেষ্টৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক টিমোৰ লেষ্টৰ সৰ্বোচ্চ অসামৰিক সন্মান গ্ৰেণ্ড ক'লাৰ অব্ দ্যা অৰ্ডাৰ অব্ টিমোৰ লেষ্টেৰে বিভূষিত কৰাক লৈ গৌৰৱ প্ৰকাশ কৰিছে। ফিজিত ৰাষ্ট্ৰপতিগৰাকীয়ে ১০০ খন বিছনাযুক্ত ছুপাৰ স্পেচিয়েলিটী হৃদৰোগ চিকিৎসালয়খনৰ প্ৰকল্পৰ বাবে অনুমোদন সন্দৰ্ভত নথি হস্তান্তৰ কৰে। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে তিনিওখন দেশৰ সৈতে ভাৰতৰ ঐতিহাসিক অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰলৈ ইয়াক প্ৰসাৰিত কৰিব বুলি আশা কৰা হৈছে। তদুপৰি এই ভ্ৰমণে দেশৰ এক্ট-ইষ্ট নীতিৰ অংশ হিচাপে ভাৰত-প্ৰশান্ত মহাসাগৰীয় আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ মাজত ভাৰতৰ কৌশলগত গুৰুত্ব বৃদ্ধি কৰিব বুলিও ভবা হৈছে।

oooooooo

বিশিষ্ট কবি-সমালোচক ৰবীন্দ্ৰ বৰাৰ আজি দেহাৱসান ঘটে। ১৯৩৯ চনত মাকুমত জন্মগ্ৰহণ কৰা বৰাৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৫ বছৰ। ৰামধেনুৰ যুগতে কবি হিচাপে আত্মপ্ৰকাশ কৰা বৰাই ১৪ খন কাব্য সংকলন, চাৰিখন গল্প সংকলন আৰু এখন উপন্যাসকে ধৰি বহু মূল্যবান গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি গৈছে। অসম চৰকাৰৰ জনসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া ৰবীন্দ্ৰ বৰাৰ মৃত্যুত অসম প্ৰকাশন পৰিষদে গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই বৰাৰ মৃত্যু অসমৰ সাহিত্য জগতৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰিছে।

oooooooo

প্ৰায় ৩ সপ্তাহ জোৰা ৰোমাঞ্চকৰ খেল প্ৰতিযোগিতাৰ অন্তত আজি নিশা আকৰ্ষণীয় সামৰণি অনুষ্ঠানেৰে পেৰিছ অলিম্পিকৰ সামৰণি পৰিব। ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত সামৰণি অনুষ্ঠান আৰম্ভ হ'ব। অনুষ্ঠানৰ সময়ত ষ্টেডিয়ামত ৮০ হাজাৰ দৰ্শক উপস্থিত থকাৰ সম্ভাৱনা আছে। এই অনুষ্ঠানত ২০২৮ চনত লজ এঞ্জেলছত অনুষ্ঠিত হ'বলগীয়া পৰৱৰ্তী অলিম্পিক ক্ৰীড়া মহোৎসৱৰ আয়োজক কমিটীৰ হাতত অলিম্পিক পতাকা অৰ্পণ কৰা হ'ব।

উল্লেখযোগ্য যে ভাৰতে এইবাৰৰ অলিম্পিকত এটা ৰূপ আৰু ৫টা ব্ৰঞ্জসহ মুঠ ৬টা পদক লাভ কৰে। শ্বুটাৰ মনু ভাকৰে ব্ৰঞ্জৰ পদক অৰ্জন কৰি এইবাৰৰ অলিম্পিকত দেশৰ হকে প্ৰথমটো পদক অৰ্জন কৰে। শ্ৰী ভাকৰ অলিম্পিকৰ শ্বুটিঙত পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা খেলুৱৈ। খেলুৱৈগৰাকীয়ে ছৰৱজোৎ সিঙৰ সৈতে ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড শাখাৰ দলীয় শিতানতো আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰি অলিম্পিকৰ একেটা সংস্কৰণতে দুটাকৈ পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপেও ইতিহাসত নাম লিপিবদ্ধ কৰে। ইয়াৰ পাছত স্বপনীল কুশালেই শ্বুটিঙত দেশৰ হকে তৃতীয়টো পদক জয় কৰে। ভাৰতীয় পুৰুষ হকী দলটোৱেও ক্ৰমাগত দ্বিতীয়বাৰৰ বাবে অলিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। টকিঅ অলিম্পিকত স্বৰ্ণ পদক অৰ্জন কৰা নীৰজ চোপ্ৰাই পুৰুষৰ জেভলিন থ্ৰ'ত ৰূপৰ পদক হস্তগত কৰিবলৈ সমৰ্থ হোৱাৰ বিপৰীতে ভাৰতৰ উদীয়মান খেলুৱৈ অমন ছেহৰাৱতে পুৰুষৰ মল্লযুদ্ধৰ ৫৭ কিলোগ্ৰাম ওজন

শাখাত ফ্ৰী ষ্টাইল শিতানত ব্ৰঞ্জৰ পদক লাভ কৰে । অলিম্পিকৰ পদক জয় কৰা ছেহৰাৰত দেশৰ কনিষ্ঠতম খেলুৱৈৰূপে পৰিগণতি হয়।

সামগ্ৰিক পদক তালিকাত চীনে ৩৯টা সোণ, ২৭টা ৰূপ আৰু ২৪টা ব্ৰঞ্জসহ মুঠ ৯০টা পদকেৰে শীৰ্ষ স্থান দখল কৰাৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্ৰই ৩৮টা সোণ, ৪২টা ৰূপ আৰু ৪২ টা ব্ৰঞ্জৰ পদককে ধৰি মুঠ ১২২টা পদকেৰে তালিকাৰ দ্বিতীয় স্থানত থাকে। ইফালে অষ্ট্ৰেলিয়াই ১৮টা সোণ, ১৮টা ৰূপ আৰু ১৪টা ব্ৰঞ্জ সহ মুঠ ৫০টা পদকেৰে তৃতীয় স্থান দখল কৰিবলৈ সমৰ্থ হয়।

০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দেশৰ পূব, উত্তৰ-পূব আৰু উত্তৰ-পশ্চিম অংশত ১৬ আগষ্ট পৰ্যন্ত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পৰৱৰ্তী ৫ দিনত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি অনুমাণ কৰিছে। এই সময়ছোৱাত হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, ৰাজস্থান আৰু উত্তৰ প্ৰদেশতো ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগ প্ৰকাশ কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে দেশৰ শিশু আৰু মহিলাসকলৰ সৰ্বাংগীন কল্যাণ নিশ্চিত কৰাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সমন্বিত প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰথমখন বৈঠকত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। এই বৈঠকত ৰাজ্যসমূহৰ বিভাগীয় মন্ত্ৰী আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ উপ-ৰাজ্যপালসকলে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে অংশ লয়। তেওঁ কয় যে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে সৰ্বাত্মক প্ৰচেষ্টা অত্যন্ত গুৰুত্বপূৰ্ণ। মন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত মন্ত্ৰালয়ৰ ধবজাবাহী কাৰ্যসূচী মিছন সক্ষম অংগনৱাড়ী আৰু পোষণ অভিযানৰ দ্বিতীয় পৰ্যায়ৰ বিষয়ে উল্লেখ কৰে। এই বৈঠকত মুঠ ২৮ খন ৰাজ্যৰ ভিতৰত ২১ খনৰ বিভাগীয় মন্ত্ৰীসকলে অংশগ্ৰহণ কৰি ৰাজ্যসমূহত গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে।

০০০০০০০০

WEEKLY REVIEW/RNU (11-08-2024, EVEN.)-734

বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত-বাংলাদেশ সীমান্ত পৰ্যবেক্ষণৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ উচ্চ পৰ্যায়ৰ সমিতি গঠন, অসম কেবিনেটত কেইবাটাও সিদ্ধান্ত গ্ৰহণ, মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি উদ্বোধন, পেৰিছ অলিম্পিকত ভাৰতীয় মহিলা মল্লযোদ্ধা ৱিনেশ ফোগটক ওজন বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত অযোগ্য ঘোষণাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহত আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

বাংলাদেশৰ বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত-বাংলাদেশ সীমান্ত পৰ্যৱেক্ষণৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰি দিছে। এই সমিতিখনে বাংলাদেশত থকা ভাৰতীয় নাগৰিক তথা দেশখনৰ সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ সুৰক্ষাৰ দিশটো লক্ষ্য ৰাখি বাংলাদেশ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ বৰ্তাই ৰাখিব। সীমান্ত সুৰক্ষা বাহিনীৰ ইষ্টাৰ্ন কমাণ্ডৰ অতিৰিক্ত সঞ্চালকপ্ৰধানক সমিতিখনৰ অধ্যক্ষৰ দায়িত্ব দিয়া হৈছে। গৃহ মন্ত্ৰালয়ৰ সীমা ব্যৱস্থাপনা বিভাগে গঠন কৰি দিয়া সমিতিখনৰ আন চাৰিগৰাকী সদস্য হিচাপে সীমান্ত সুৰক্ষা বাহিনীৰ দক্ষিণ বংগ সীমান্ত মুখ্য কাৰ্যালয়ৰ মহাপৰিদৰ্শক, সীমান্ত

সুৰক্ষা বাহিনীৰ ত্ৰিপুৰা মুখ্য কাৰ্যালয়ৰ মহাপৰিদৰ্শক, স্থল-বন্দৰ কৰ্তৃপক্ষৰ উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ সদস্য আৰু একেটা বিভাগৰে সচিবগৰাকী আছে।

দিছপুৰ লোককল্যাণ ভৱনত যোৱা ৯ আগষ্টত অনুষ্ঠিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী শৰ্মাই কেবিনেট সিদ্ধান্ত সন্দৰ্ভত কয় যে বিটিআৰত নতুনকৈ ১৬খন গাওঁ অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। পূৰ্বে বিটিআৰত ৪০খনতকৈও অধিক গাওঁ অন্তৰ্ভুক্ত কৰা হৈছিল। উল্লেখযোগ্য যে যোৱা বছৰে চৰকাৰে বিটিআৰত নতুনকৈ ৬০খন গাওঁ অন্তৰ্ভুক্ত কৰাৰ কথা প্ৰকাশ কৰিছিল। কেবিনেট বৈঠকতে গণিতৰ স্নাতক শিক্ষক নামেৰে এটা নতুন পদ সৃষ্টি কৰা হৈছে বুলি জানিবলৈ দিয়ে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ স্থানীয় মাধ্যমত কেইবাখনো ভাল বিদ্যালয় গঢ়ি উঠিছে বুলি প্ৰকাশ কৰি কয় যে এনে বিদ্যালয়সমূহত ২৫শতাংশ আসন চৰকাৰে ল'ব পাৰে নেকি তেনে ধৰণৰ এটা পৰামৰ্শ শিক্ষা বিভাগক দিয়া হৈছে। পৰামৰ্শ অনুসৰি শিক্ষাৰ্থীয়ে যাতে গুণগত শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় মাচুল চৰকাৰে বহন কৰিব। অৱশ্যে এনে সুবিধাৰ পৰা ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহ বঞ্চিত হ'ব।

ৰাজ্যৰ ছাত্ৰীসকলৰ সৱলীকৰণ, উচ্চ শিক্ষাৰ বাট প্ৰশস্তকৰণ আৰু বাল্য বিবাহ ৰোধৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৮ আগষ্টত লোকসেৱা ভৱনত **মুখ্যমন্ত্ৰীৰ নিযুত মইনা** আঁচনিৰ উদ্বোধন কৰে। এই আঁচনিখনে অহা ৩ বছৰত ১০ লাখ ছাত্ৰীক সামৰি ল'ব। মুখ্যমন্ত্ৰীয়ে কয় যে, বাল্য বিবাহৰ দৰে কুসংস্কাৰ ৰোধৰ লগতে অপৈণত বয়সতে মাতৃত্ব লাভৰ দৰে সমস্যাৰ পৰা কন্যাসকলক ৰক্ষা কৰাৰ লক্ষ্যৰে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। আনহাতে কন্যা-শিশুৰ মাজত নিহিত প্ৰতিভা বিকাশৰ ক্ষেত্ৰতো এই আঁচনিয়ে সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে। মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰীসকলক চৰকাৰে নিৰন্তৰভাৱে শিক্ষা গ্ৰহণ কৰিবলৈ আৰ্থিক সাহায্য প্ৰদান কৰিলে দৰিদ্ৰ পৰিয়ালৰ পিতৃ-মাতৃৰ আৰ্থিক বোজা হ্ৰাস পোৱাৰ লগতে বিদ্যালয়ৰ শিক্ষা আধাতে এৰা ছাত্ৰীৰ সংখ্যা হ্ৰাস পাব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সকলো পৰিয়ালৰ কন্যাৰ বাবে উপলব্ধ হ'বলগীয়া আঁচনিখনৰ অধীনত একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী এহেজাৰ টকাকৈ, স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰা যোগ্য ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী এহেজাৰ ২৫০ টকাকৈ আৰু স্নাতকোত্তৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰা ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব।

নিৰ্বাচন আয়োগে অসমৰ দুখন আসনসহ ৯ খন ৰাজ্যৰ ১২ খন ৰাজ্যসভা আসনৰ নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে। অসমৰ সৰ্বানন্দ সোণোৱাল আৰু কামাখ্যা প্ৰসাদ তাছা শেহতীয়া লোকসভালৈ নিৰ্বাচিত হোৱা খালী হোৱা আসন দুখনৰ বাবে নিৰ্বাচন হ'ব। অহা ১৪ আগষ্টত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীয়ে ২১ আগষ্ট পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব আৰু ২২ আগষ্টত মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ২৬ আৰু ২৭ আগষ্ট ধাৰ্য কৰা হৈছে। ৩ ছেপ্তেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব।

আকাশবাণীৰ বাতৰি বিভাগে অহৰহ সকলো শ্ৰেণীৰ শ্ৰোতাক পোনপটীয়া, সত্য, শুদ্ধ আৰু নিৰপেক্ষ ৰূপত বাতৰি দি আহিছে। সময় আৰু পৰিস্থিতিৰ প্ৰত্যাহ্বানকো নেওচি আকাশবাণী বাতৰি বিভাগৰ কৰ্মীসকলে শ্ৰোতাসকলৰ বাবে বাতৰি প্ৰচাৰ অব্যাহত ৰাখিছে। আকাশবাণীৰ সঞ্চালকপ্ৰধান মৌচুমী চক্ৰৱৰ্তীয়ে ৬ আগষ্টত আকাশবাণী গুৱাহাটী কেন্দ্ৰ ভ্ৰমণ কৰাৰ সময়ত এই মন্তব্য কৰে। তেওঁ কয় যে আকাশবাণী গুৱাহাটীয়েও বিভিন্ন প্ৰতিকূল পৰিস্থিতিকো নেওচি শ্ৰোতাক নিৰপেক্ষ ৰূপত বাতৰি দিয়াৰ ধাৰা অব্যাহত ৰাখিছে। শ্ৰী মতী

চক্ৰৱৰ্তীয়ে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ নৱৰূপত সজাই তোলা কক্ষ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই অনুষ্ঠানত পি আই বিৰ উত্তৰ-পূব মণ্ডলৰ সঞ্চালকপ্ৰধান কে সতীশ নাম্বুড্ৰিৰিপাড আৰু পি আই বি গুৱাহাটীৰ অতিৰিক্ত সঞ্চালকপ্ৰধান জেন নেমছু, আকাশবাণীৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰ, আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক মুৰব্বী ৰবিন চন্দ্ৰ বড়ো প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ভাৰতৰ বাবে দুৰ্ভাগ্যজনকভাৱে বিবেচিত এটা ঘটনাত পেৰিছ অলিম্পিকৰ মহিলা মল্লযোদ্ধা ৱিনেশ ফোগতক সামান্য পৰিমাণে ওজন বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল প্ৰতিযোগিতাৰ বাবে অযোগ্য ঘোষণা কৰা হয়। অলিম্পিকৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰা দেশৰ এইগৰাকী মহিলা মল্লযোদ্ধা এই প্ৰতিযোগিতাৰ ফাইনেলত অৱতীৰ্ণ হ'বলগীয়া আছিল।

ভাৰতীয় অলিম্পিক সংস্থাই এটা বিবৃতিত প্ৰকাশ কৰা মতে এই সন্দৰ্ভত দলটোৱে সকলো প্ৰচেষ্টা গ্ৰহণ কৰাৰ পাছতো খেলুৱৈগৰাকীৰ ওজন সেইদিনা পুৱাৰ ভাগত ৫০ কিলোগ্ৰামতকৈ কেইগ্ৰামমান বৃদ্ধি পায়। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ৱিনেশ ফোগতে বিশ্বৰ প্ৰথমস্থানৰ খেলুৱৈ তথা ২০২০ চনৰ টকিঅ' অলিম্পিকৰ চূড়ান্ত বিজয়ী জাপানৰ য়ুয়ি ছুজাকীক প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত কৰিছিল।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা মুখ্য বাতৰিসমূহত চমু অৱলোকন।

oooooooo

ঃসমাপ্তঃ